**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-10-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। দেশৰ তিনিওটা প্ৰতিৰক্ষা বাহিনীৰ অসাধাৰণ সহযোগিতামূলক সেৱাৰ বাবে অপাৰেচন সিন্দূৰৰ সময়ত পাকিস্তানে ভাৰতৰ ওচৰত মূৰ দোৱাবলৈ বাধ্য হৈছিল বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে।

২। বিহাৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ আজি অন্ত পৰিব।

৩। পাকিস্তানী সশস্ত্ৰ বাহিনীয়ে বেলুচিস্তানৰ বিভিন্ন স্থানত অভিযান চলাই কমেও ১৮ জন লোকক আটক কৰি অজ্ঞাত স্থানত আৱদ্ধ কৰি ৰাখিছে।

৪। ইছিন হিচাপে পৰিচিত জাপান ইন'ভেচন পাৰ্টীয়ে শাসনাধিষ্ঠিত লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টীৰ সৈতে মিত্ৰজোঁটৰ চৰকাৰত অংশগ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে।

আৰু

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি শ্ৰীলংকাই বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

দেশৰ তিনিওটা প্ৰতিৰক্ষা বাহিনীৰ অসাধাৰণ সহযোগিতামূলক সেৱাৰ বাবে অপাৰেচন সিন্দূৰৰ সময়ত পাকিস্তানে ভাৰতৰ ওচৰত মূৰ দোৱাবলৈ বাধ্য হৈছিল বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে। গোৱা আৰু কৰৱাৰ উপকূলৰ আই এন এছ্‌ ৰিক্ৰান্তত নৌ বাহিনীৰ জোৱানসকলৰ সৈতে দীপাৱলী উদযাপন কৰাৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে আই এন এছ্‌ ৰিক্ৰান্ত আত্মনিৰ্ভৰ ভাৰত আৰু মেড ইন ইণ্ডিয়াৰ প্ৰতীক। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে, যে চৰকাৰে প্ৰতিটো প্ৰত্যাহ্বানকে সংস্কাৰলৈ, প্ৰতিটো সংস্কাৰকে প্ৰত্যাৱৰ্তন আৰু প্ৰতিটো প্ৰত্যাৱৰ্তনক বিপ্লৱলৈ পৰিৱৰ্তন কৰিছে।

০০০০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ আজি অন্ত পৰিব। এই পৰ্যায়ত মুঠ ২৪৩ খন আসনৰ ভিতৰত ১২২টা সমষ্টিৰ বাবে ১১ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। এতিয়ালৈ মুঠ এহেজাৰ ৬৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। আজি প্ৰথম পৰ্যায়ৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ৰাজ্যখনত অহা ৬ নৱেম্বৰত ১৮ খন জিলাৰ ১২১টা বিধানসভা সমষ্টিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব। ৰাজ্যখনৰ নিৰ্বাচনী বিষয়াই জনোৱা মতে প্ৰথম পৰ্যায়ৰ বাবে এহেজাৰ ৩৭৫ খন মনোনয়ন বৈধ বিবেচিত হৈছে। ইয়াৰে ১৪৭ গৰাকী মহিলা আৰু এহেজাৰ ২৪৭ জন পুৰুষ প্ৰাৰ্থী।

ইপিনে, ৰাষ্ট্ৰীয় জনতা দল আৰ জে ডিয়ে আজি দলটোৰ ১৪৩ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। পূৰ্বৰ বিহাৰ বিধানসভা নিৰ্বাচনক দলটোৱে ১৪৪ খন আসনত প্ৰাৰ্থী আগবঢ়াইছিল। এইবাৰ আৰ জে ডিয়ে

নিজৰ ছহৰ্ছা, জামালপুৰ আৰু বেলাডৰ আসনকেইখন মিত্ৰজোঁটৰ নতুন দল দা ইণ্ডিয়ান ইনক্লুছিভ পাৰ্টীক এৰি দিছে। দলৰ জ্যেষ্ঠ নেতা তেজস্বী প্ৰসাদ য়াদৱে বৈশালী জিলাৰ ৰাঘোপুৰ সমষ্টিৰ বাবে প্ৰাৰ্থিত্ব আগবঢ়াইছে। বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ অবোধ বিহাৰী চৌধুৰীয়ে চিৰান, ভোজপুৰী অভিনেতা খেচাৰী লাল য়াদৱে চাপ্ৰা আসনৰ বাবে প্ৰাৰ্থিত্ব লাভ কৰিছে।

কংগ্ৰেছে বিহাৰ বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ছজনীয়া প্ৰাৰ্থীৰ তৃতীয়খন তালিকা প্ৰকাশ কৰিছে। প্ৰাক্তন মন্ত্ৰী জেলিল মস্তানে পুৰ্নিয়াৰ আম'ৰ আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আৰ জে ডিৰ প্ৰাৰ্থী ৰিচি মিশ্ৰই পাৰস্পৰিক বুজাপৰাৰ মাজেৰে কংগ্ৰেছৰ প্ৰতীক চিহ্নত দাৰভাংগাৰ জেল বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াকে লৈ বিহাৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা কংগ্ৰেছৰ প্ৰাৰ্থীৰ সংখ্যা ৬০ লৈ বৃদ্ধি পালে। নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ থকাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন সংস্থা আৰু তদাৰকী গোটসমূহে ২৩ কোটি ৪১ লাখ মূল্যৰ সুৰা জব্দ কৰাৰ লগতে ১৭ কোটি মূল্যৰ মাদক দ্ৰব্যও জব্দ কৰিছে। প্ৰথমখন তালিকা প্ৰকাশ পোৱাৰ পাছত মিত্ৰজোঁটৰ আৰ জে ডি, কংগ্ৰেছ, বিকাশশীল ইনচান পাৰ্টী, চি পি আই এম এলকে ধৰি বামপন্থী দলসমূহৰ মাজত আসনৰ ভাগ-বটোৱাৰাৰ দৃশ্যপট প্ৰায় স্পষ্ট হৈ পৰিছে।

০০০০০০০

পাকিস্তানী সশস্ত্ৰ বাহিনীয়ে শেহতীয়াকৈ বেলুচিস্তানৰ কোৱেটা, পঞ্জগুৰ, খাৰন আৰু মাস্তুং জিলাত এলানি অভিযান চলাই শিক্ষাৰ্থীকে ধৰি কমেও ১৮ জন লোকক আটক কৰি অজ্ঞাত স্থানত আৱদ্ধ কৰি ৰাখিছে। স্থানীয় সংবাদ মাধ্যমে এই সন্দৰ্ভত প্ৰকাশ কৰি কয়, যে কোৱেটাৰ ব্ৰেৱাৰী এলেকাত যোৱা শুকুৰবাৰে নিশা অভিযান চলাই সশস্ত্ৰ বাহিনীয়ে দুজন বেলুচ ছাত্ৰক তেওঁলোকৰ ঘৰৰ পৰা আটক কৰি লৈ যায়। পাকিস্তানী সেনাই ছাত্ৰ দুজনৰ কোঠালীত বলপূৰ্বক প্ৰৱেশ কৰি কোনোধৰণৰ গ্ৰেপ্তাৰী পৰোৱানা অবিহনেই তেওঁলোকক আটক কৰি নিয়ে বুলিও প্ৰত্যক্ষদৰ্শীয়ে প্ৰকাশ কৰে। কালিৰ দিনটোত পাকিস্তানৰ বেলুচিস্তান প্ৰদেশৰ বিভিন্ন স্থানৰ পৰা দেশখনৰ নিৰাপত্তা বাহিনীয়ে ৮ গৰাকী অসামৰিক লোকক বলপূৰ্বকভাৱে কোনো অজ্ঞাত স্থানলৈ লৈ যোৱা বুলিও বাতৰিত প্ৰকাশ পাইছে। পাকিস্তানৰ মানৱ অধিকাৰ আয়োগকে ধৰি ভিন ভিন সংস্থাই এনেধৰণে সাধাৰণ নাগৰিক ৰহস্যজনকভাৱে সন্ধানহীন হৈ পৰা ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰি এনে ঘটনাক আইন আৰু নীতিৰ উলংঘন বুলি অভিহিত কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো নাগৰিকক উৎসৱৰ বতৰত স্বদেশী সামগ্ৰী ক্ৰয় কৰি ১৪০ কোটি ভাৰতীয়ৰ পৰিশ্ৰমক উদযাপন কৰিবলৈ আহ্বান জনাইছে। শ্ৰীমোদীয়ে লগতে সকলোকে উৎসৱৰ সময়ত ক্ৰয় কৰা সামগ্ৰীসমূহৰ বিষয়ে সামাজিক মাধ্যমত প্ৰচাৰ কৰিবলৈও আহ্বান জনায়। এনে ব্যৱস্থাই আনকো এনে পদক্ষেপ ল'বলৈ অনুপ্ৰাণিত কৰিব বুলি তেওঁ উল্লেখ কৰে। মাই গভ ইণ্ডিয়াৰ এটা বাৰ্তাৰ প্ৰতি সঁহাৰি জনাই ভাৰতত উৎপাদিত সামগ্ৰী ক্ৰয় কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে 'গৰ্ব ছে কহো য়ে স্বদেশী হেয়' বাৰ্তাৰে উজ্জীৱিত হ'বলৈ সকলোকে আহ্বান জনায়।

সমগ্ৰ দেশজুৰি থলুৱা উদ্যোগ আৰু কলাকুশলীসকলৰ বিকাশৰ বাবে চলি থকা অভিযানৰ মাজতে প্ৰধানমন্ত্ৰীৰ এই আহ্বানে আত্মনিৰ্ভৰশীলতা আৰু অৰ্থনৈতিক সৱলীকৰণৰ বাৰ্তা বহন কৰিছে। এই পদক্ষেপৰ প্ৰতি সমৰ্থন জনাই মাই গভ ইণ্ডিয়াই **দীপাৱলী উদযাপন আৰু স্বদেশী সৱলীকৰণ** শীৰ্ষক এটা বিশেষ অভিযান

মুকলি কৰিছে। এই অভিযানৰ জৰিয়তে থলুৱা কাৰুশিল্পী সকলক সমৰ্থনৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ বাৰ্তাত দেশবাসীক ভ'কেল ফৰ লোকেল মন্ত্ৰৰে আগবাঢ়িবলৈ অনুপ্ৰাণিত কৰে। দেশৰ স্বাধীনতা সংগ্ৰামৰ সৈতে গভীৰভাৱে সংপৃক্ত হৈ থকা স্বদেশী অভিযানে শেহতীয়াকৈ চৰকাৰৰ আত্মনিৰ্ভৰ ভাৰত পদক্ষেপৰ জৰিয়তে পুনৰ গতি লাভ কৰে। থলুৱা সামগ্ৰীৰ প্ৰসাৰৰ জৰিয়তে এই অভিযানে থলুৱা অৰ্থনীতিৰ বিকাশ, নিয়োগ সৃষ্টি আৰু আমদানিৰ ওপৰত থকা নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ প্ৰয়াস কৰিছে।

oooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণননে দীপাৱলী উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে দীপাৱলী হৈছে ভাৰতৰ আটাইতকৈ জনপ্ৰিয় উৎসৱ যাক বিপুল উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়। এই উৎসৱে অন্ধকাৰৰ ওপৰত পোহৰ, অজ্ঞানতাৰ ওপৰত জ্ঞান আৰু অশুভৰ ওপৰত শুভ কাৰ্যৰ জয়ক উদযাপন কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে কয়, যে পোহৰৰ এই উৎসৱে আত্মপ্ৰতিফলন আৰু আত্মবিকাশৰ সুযোগ দিয়াৰ লগতে পাৰস্পৰিক স্নেহ আৰু ভাতৃত্ববোধৰ বাৰ্তা দিয়ে। তেওঁ সকলোকে সুৰক্ষিতভাৱে দায়িত্বসহকাৰে আৰু পৰিৱেশ অনুকুল ব্যৱস্থাৰে দীপাৱলী উদযাপন কৰিবলৈ আহ্বান জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে দীপাৱলীয়ে সকলোলৈ সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই অনাৰ কামনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দীৱাপলী উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জনাইছে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে এই পোহৰৰ উৎসৱে সকলোৰে জীৱন শান্তি আৰু সমৃদ্ধিৰে উপচাই তুলিব বুলি কামনা কৰে। তেওঁ লগতে ৰাষ্ট্ৰৰ সকলো দিশতে ইতিবাচক শক্তিৰ বিৰাজৰ বাবে প্ৰাৰ্থনা কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে এটা বাৰ্তাত দীপাৱলীৰ পৱিত্ৰ ক্ষণত দেৱী লখিমীয়ে সকলোলৈ শান্তি, সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে সকলোৰে সুস্বাস্থ্য কামনা কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আজি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰি দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাইও দেশবাসীক দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ লগতে সমাগত গোবৰ্ধন পূজা আৰু ভাইদোজৰো শুভেচ্ছা জনায়। এটা বাৰ্তাত শ্ৰীবিৰলাই কয়, যে দীপাৱলী হৈছে ভাৰতৰ সংস্কৃতি আৰু পৰম্পৰাৰ আত্মা স্বৰূপ। তেওঁ সকলো নাগৰিককে দীপাৱলীৰ ক্ষণত সমাজত একতা, ভাতৃত্ববোধ, পাৰস্পৰিক বিশ্বাস আৰু সমতা শক্তিশালী কৰাৰ পন ল'বলৈ আহ্বান জনায়।

ooooooo

ইছিন হিচাপে পৰিচিত জাপান ইন'ভেচন পাৰ্টীয়ে শাসনাধিষ্ঠিত লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টীৰ প্ৰতি সমৰ্থনেৰে মিত্ৰজোঁটৰ চৰকাৰত অংশগ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে। সন্মিলিত চৰকাৰখনৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ সিদ্ধান্ত ব্যক্তি কৰি জাপান ইন'ভেচন পাৰ্টীয়ে কয়, যে দলটো এল ডি পিৰ সৈতে মিত্ৰতাৰ বাবে প্ৰস্তুত হৈ উঠিছে। দলটোৰ এই সিদ্ধান্তৰ ফলত ছানায়ে টাকাইচি জাপানৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পথ প্ৰশস্ত হৈ পৰিল। দেশখনৰ সাংসদসকলে কাইলৈ এগৰাকী নতুন প্ৰধানমন্ত্ৰী নিৰ্বাচিত কৰাৰ কথা। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে চলিত মাহতেই টাকাইচি এল ডি পিৰ নতুন নেত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত মধ্যমপন্থী কমিট'পাৰ্টীয়ে দলটোৰ সৈতে ২৬ বছৰীয়া মিত্ৰতাৰ অৱসান ঘটোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

০০০০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি শ্ৰীলংকাই বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নৱী মুম্বাইৰ ডং ডি ৱাই পাটিল স্পৰ্টছ একাডেমীত হ'বলগীয়া খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা ইন্দোৰৰ হ'লকাৰ ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ইংলেণ্ডে ভাৰতক ৪ ৰানত পৰাস্ত কৰে। ভাৰতে ২৮৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ৫০ অ'ভাৰত ৬ উইকেটৰ বিনিময়ত ২৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। স্মৃতি মান্ধানাই ৮৮, হৰমনপ্ৰীত কৌৰে ৭০ আৰু দিপ্তী শৰ্মাই ৫০ ৰান কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অ'ভাৰত ৮টা উইকেট হেৰুৱাই ২৮৮ ৰান কৰে। দলৰ হৈ হিথাৰ নাইটছে ১০৯ ৰান কৰি ইংলেণ্ডৰ স্থিতি সবল কৰি তোলে। হিথাৰক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। ভাৰতৰ হৈ দিপ্তী শৰ্মাই ৪টা উইকেট দখল কৰাৰ লগতে নৱাগত শ্ৰী চৰনীয়ে দুটা উইকেট লাভ কৰে।

এই জয়ৰ সুবাদত ইংলেণ্ডে ছেমি ফাইনেলত অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ সৈতে স্থান নিশ্চিত কৰিছে। ভাৰতে এই প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ হ'লে নিউজিলেণ্ডৰ আৰু বাংলাদেশৰ সৈতে দুয়োখন খেলতে জয়লাভ কৰিব লাগিব।

০০০০০০০০০

এছিয়ান ডেভেলপমেণ্ট বেংক- ADBয়ে নিজৰ বিকাশশীল সদস্যসকলৰ বাবে ADB ঋণৰ হাৰ বৃদ্ধি কৰাৰ বাবে বিশ্ব বেংকৰ সৈতে ৩ বিলিয়ন মাৰ্কিন ডলাৰৰ এখন চুক্তিত স্বাক্ষৰ কৰিছে। বেংকটোৱে আজি জনোৱা মতে বিশ্ব বেংকৰ সৈতে হোৱা এনেধৰণৰ এইখন হৈছে প্ৰথমখন চুক্তি। ২০২০ চনৰ পৰা বহুপক্ষীয় বিকাশ বেংকসমূহৰ সৈতে এনেধৰণৰ ছখন চুক্তি স্বাক্ষৰ কৰা হৈছে। এই চুক্তিসমূহৰ মুঠ বিনিময় ৰাশি ৯ বিলিয়ন ডলাৰ।

০০০০০০০০০

সমাপ্ত